জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬০/২০২১

# বিশিষ্ট সমালোচক, শিক্ষাবিদ ড° দিলীপ বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ মে' ঃ** বিশিষ্ট সমালোচক, শিক্ষাবিদ ড° দিলীপ বৰুৱাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত দিলীপ বৰুৱাই অসমীয়া সাহিত্য জগতলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া চিৰস্মৰণীয় হৈ ৰ'ব। একেধাৰে কবি, অনুবাদক আৰু সমালোচক হিচাপে তেখেতে আমাৰ সাহিত্য জগতলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত বৰুৱাই এখন দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক তথা ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দৰে দায়িত্বশীল পদবীত অৱতীৰ্ণ হৈ বিদ্যায়তনিক দিশত যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। বহুকেইখন সমালোচনা গ্ৰন্থ তথা কবিতা পুথিৰে আমাৰ সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি যোৱা এই গৰাকী বিশিষ্ট সমালোচক, শিক্ষাবিদ তথা সাহিত্যিকৰ বিয়োগ বৃহত্তৰ  সমাজখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° দিলীপ বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৭/০৫/২০২১**